# অসম সাহিত্য সভা

১৮৬০ চনৰ ২১নং আইন অনুসৰি ১৯২৪ চনত পঞ্জীকৃত আৰু ২০১৫ খ্ৰীষ্টাব্দত নবীকৃত
পঞ্জীয়ন নং - যো১/২৩৮/জি/১৪

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ঐতিহ্য ভৱন, যোৰহাট - ৭৮৫০০১
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী- ৭৮১০০১
Website:www.asamsahityasabha.org■E-mail-asam.sahitya.sabha@gmail.com

<u>সংবাদ বিজ্ঞপ্তি</u>

## অসম সাহিত্য সভাৰ নাৰায়ণপুৰ অধিৱেশনৰ প্ৰস্তুতিৰ পৰ্যালোচনা

**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়া আৰু সভাৰ কেন্দ্ৰীয় সমিতিৰ এচাম বিষয়ববীয়াৰ সৈতে সভাৰ সমাগত নাৰায়ণপুৰ অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি তথা নাৰায়ণপুৰৰ বিধায়ক অমিয় ভূঞাৰ নেতৃত্বত সমিতিৰ এটি বিষয়ববীয়াৰ দলে অধিৱেশনৰ প্ৰস্তুতিৰ পৰ্যালোচনাত ভাগ লয় যোৱা ১৫ ছেপ্টেম্বৰ তাৰিখে সভাৰ গুৱাহাটী কাৰ্যালয়ৰ মহেন্দ্ৰনাথ বৰা সভাকক্ষত অনুষ্ঠিত এক বৈঠকত। আৰম্ভণিতে আদৰণি সমিতিৰ সভাপতি অমিয় ভূঞাই জনায় যে একচল্লিশখন উপ-সমিতিয়ে সম্প্ৰতি পূৰ্ণোদ্যমে অধিৱেশনৰ কাম-কাজ চলাই আছে আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰীয়ে অধিৱেশনৰ প্ৰস্তুতি চোৱা-চিতা কৰিবলৈ বিশেষ দায়িত্ব অৰ্পণ কৰা অসমৰ শিক্ষামন্ত্ৰী আৰু জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী দুয়োগৰাকীয়ে আদৰণি সমিতিলৈ দিহা-পৰামৰ্শ আগবঢ়াই আছে। অধিৱেশনৰ বাবে প্ৰয়োজনীয় বাট-পথ নিৰ্মাণ, খোৱা-পানী যোগান আঁচনি আদিৰ পৰিকল্পনা চূড়ান্ত ৰূপত প্ৰস্তুত হৈছে বুলি তেওঁ বৈঠকৰ আটাইকে অৱগত কৰে। দান-বৰঙণি সংগ্ৰহৰ কামো আগবাঢ়িছে বুলি জনাই শ্ৰীভূঞাই কয় যে নাৰায়ণপুৰ অধিৱেশন সম্পূৰ্ণৰূপে প্লাষ্টিক-মুক্ত কৰা হ'ব আৰু বিভিন্ন তোৰণ আদি নিৰ্মাণৰ পৰিকল্পনাও আগবঢ়োৱা হৈছে। অধিৱেশনলৈ ভাৰতৰ ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ ভিতৰত যিকোনো এগৰাকীক নিমন্ত্ৰণ জনাবলৈ অসমৰ মুখ্যমন্ত্ৰীৰ সৈতে যোগাযোগ কৰা হৈছে আৰু অধিৱেশনৰ কাৰ্যসূচীসমূহ নিয়াৰিকৈ অনুষ্ঠিত কৰিবলৈ চাৰিখন মঞ্চ নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে যদিও প্ৰয়োজন সাপেক্ষে অধিক মঞ্চ নিৰ্মাণ কৰাও হ'ব পাৰে বুলি শ্ৰীভূঞাই সদৰি কৰে।

সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই অধিৱেশনৰ কাৰ্যসূচীত নতুনত্ব আনি অধিৱেশনখন সৰ্বোত্তমৰূপে অনুষ্ঠিত হওক বুলি আশা প্ৰকাশ কৰি কয় যে অধিৱেশনত আজীৱন সভ্যৰ সন্মিলন, ভাষা-বিজ্ঞানৰ কাৰ্যসূচী, অৰ্থনীতি সন্মিলন, অসমৰ ঐতিহ্য পৰ্যালোচনা, ডিজিটেল লিখনীৰ অনুষ্ঠান আদি অন্তৰ্ভুক্ত কৰা উচিত। লগতে, তেওঁ অধিৱেশনৰ বিভিন্ন কাৰ্যসূচীত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন বিশ্ববিদ্যালয় তথা সম্ভ্ৰান্ত শিক্ষানুষ্ঠানক জড়িত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপৰি অধিৱেশনত পৰম বিশিষ্ট অতিথিৰূপে এগৰাকী নোবেল বঁটাপ্ৰাপ্ত সাহিত্যিক আৰু চাৰিটা দিনৰ প্ৰতিটো দিনতেই বিশিষ্ট অতিথিৰূপে একোগৰাকী ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন সাহিত্যিকৰ উপস্থিতি নিশ্চিত কৰিলে অধিৱেশনৰ বৌদ্ধিক-বিদ্যায়তনিক দিশ অতি উচ্চখাপৰ হ'ব বুলি তেওঁ মন্তব্য কৰে।

বৈঠকত অসম সাহিত্য সভাৰ তৰফৰ পৰা সভাপতি ড° শইকীয়াৰ লগতে কাৰ্যনিৰ্বাহক সদস্যসকল যেনে অৱনী মোহন চহৰীয়া, দেৱেন্দ্ৰনাথ বসুমতাৰী, থানেশ্বৰ মালাকৰ, মুকুল চন্দ্ৰ গগৈ, প্ৰফুল্ল বৰ্মন, ড° সঞ্জীৱ কুমাৰ শৰ্মা আদি উপস্থিত থাকে। আনহাতে আদৰণি সমিতিৰ সভাপতি শ্ৰীভূঞাৰ উপৰি কাৰ্যকৰী সভাপতি ড° শৰৎ হাজৰিকা, সাধাৰণ সম্পাদক মাখন তামুলী, কাৰ্যনিৰ্বাহক সদস্যবৃন্দ যেনে উত্তম গগৈ, হৰেন দেউৰী, যোগেন্দ্ৰনাথ শইকীয়া, হেমন্ত নেওগ, জয়ন্ত কাকতি আদি উপস্থিত থাকে।

বৈঠকত অধিৱেশনৰ বুৰঞ্জী সন্মিলনত অসমৰ বিভিন্ন জনগোষ্ঠীয় বুৰঞ্জী আলোচনা, 'স্বদেশ-স্বাভিমান' অনুষ্ঠিত কৰা, অসমীয়া ভাষা-সাহিত্যৰ প্ৰবাদ পুৰুষসকল যেনে লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, হেমচন্দ্ৰ গোস্বামী, মাইলছ ব্ৰনচন, নাথান ব্ৰাউন আদিৰ নামতো তোৰণ নিৰ্মাণ, স্মৃতিগ্ৰন্থখন নিৰ্ভুলভাৱে ছপা হোৱা আদি বিষয়তো আলোচনা হয়। অক্টোবৰ মাহৰ মাজ ভাগত সভাৰ কেন্দ্ৰীয় সমিতিৰ দল নাৰায়ণপুৰলৈ গৈ আদৰণি সমিতিৰ সৈতে যথোচিত আলোচনাৰে অধিৱেশনৰ চূড়ান্ত কাৰ্যসূচী প্ৰস্তুত কৰা হ'ব বুলি বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০-০-০-০

**বাতৰিটো যথোচিতভাৱে প্ৰকাশ কৰিবলৈ অনুৰোধ জনালোঁ।**

**ভৱদীয়,**

যাদৱ শৰ্মা

**(যাদৱ চন্দ্ৰ শৰ্মা)**

**প্ৰধান সম্পাদক**